# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

**Date :** 06-04-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::::::::::::::::::::::::::::::**

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ ১১ টা দিন বাকী থকা অৱস্থাত ৰাজ্যখনত বিভিন্ন ৰাজনৈতিক দলে ব্যপক প্ৰচাৰ চলাইছে। আজি বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, ডিব্ৰুগড় সমষ্টিৰ দলৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যখনৰ কেইবাগৰাকী মন্ত্ৰী, বিটিআৰৰ মুৰব্বী  প্ৰমোদ বড়োৰ লগতে ভালেসংখ্যক নেতাই দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলায়। ইপিনে, যোৰহাট সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌৰৱ  গগৈয়েও আজি প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে।

কংগ্ৰেছ দলৰ সাধাৰণ সম্পাদক জীতেন্দ্ৰ সিং আলোৱাৰে কাইলৈ নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ অসমত উপস্থিত হ'ব। নেতাগৰাকীয়ে গুৱাহাটী, ডিব্ৰুগড়ৰ খোৱাং, গোলাঘাট আৰু যোৰহাটত নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

ইপিনে, প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ চলোৱাৰ বাবে আম আদমী পাৰ্টীৰ কেন্দ্ৰীয় নেতৃ তথা দিল্লী চৰকাৰৰ মন্ত্ৰী আতিশী অসমলৈ আহিব। নেতৃগৰাকীয়ে ডিব্ৰুগড় আৰু শোণিতপুৰ লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী মনোজ ধানোৱাৰ আৰু ঋষিৰাজ কৌণ্ডিন্যৰ হৈ প্ৰচাৰ চলাব। তেওঁ ৮ এপ্ৰিলত ডুলিয়াজানত আপৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলোৱাৰ লগতে বিয়লি সংবাদ মাধ্যমৰ সৈতে মত বিনিময় কৰিব। ৯ এপ্ৰিলত তেওঁ তিনিচুকীয়াত সংবাদ প্ৰতিষ্ঠানৰ সৈতে মত বিনিময়ৰ লগতে মাৰ্ঘেৰিটাত মটৰ চাইকেল সমদল আৰু নিৰ্বাচনী সভাত অংশ লব। ১০ এপ্ৰিলত তেওঁ তেজপুৰৰ প্ৰাৰ্থীগৰাকীৰ হৈ ৰোড শ্ব'ত অংশ লব। ইপিনে, বিজেপিৰ নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহো হোজাই আৰু লখিমপুৰত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে অলপতে অসমলৈ আহিব। তদুপৰি বিজেপিৰ লগতে অন্যান্য দলৰ কেইবাগৰাকী শীৰ্ষ নেতাই পৰৱৰ্তী সময়ত ৰাজ্যখনত প্ৰচাৰ চলোৱাৰ কথা।

০০০০০

বিভিন্ন জিলা প্ৰশাসনে ৰাজ্যখনত লোকসভা নিৰ্বাচন স্বচ্ছ, মুক্ত আৰু নিকাকৈ সম্পন্ন কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। আনহাতে, নিৰ্বাচনী আচৰণবিধি উলংঘাৰ ঘটনাৰ ৰোধ কৰিবলৈও কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিভিন্ন জিলাত নিৰ্বাচনত নিয়োজিত হ'বলগীয়া বিষয়া কৰ্মচাৰীৰ প্ৰশিক্ষণ, ভোটাৰ সজাগতা

কাৰ্যসূচী আদি চলি থকাৰ সমান্তৰালকৈ অবৈধ ধনৰ সৰবৰাহ ৰোধ, মাদক দ্ৰব্য জব্দ কৰা আদি কাৰ্যও কৰি থকা হৈছে। মৰিগাঁও জিলাৰ ভোটগ্ৰহণত নিয়োজিত বিষয়া কৰ্মচাৰীসকলৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ কালি আৰম্ভ হৈছে। আজি দ্বিতীয় দিনা ২ হেজাৰ ১১৬ গৰাকী ভোটগ্ৰহণকাৰী বিষয়াক প্ৰশিক্ষণ প্ৰদান কৰা হয়। আনহাতে, অহা ৮ এপ্ৰিলত ১৪৪ গৰাকী মহিলা ভোটগ্ৰহণকাৰী বিষয়া আৰু ৮ গৰাকী বিশেষভাৱে সক্ষম মহিলা বিষয়াক প্ৰশিক্ষণ দিয়া হ'ব।

ইপিনে, নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ আৰকাৰী বিভাগে যোৱা দুটা দিনত জিলাখনৰ বিভিন্ন ঠাইত অভিযান চলাই এহেজাৰ ২৩৫ লিটাৰ স্থানীয় সুৰা জব্দ কৰে। এই সন্দৰ্ভত দুজন লোকক আটক কৰা হৈছে। এই সুৰাখিনি  বিক্ৰীৰ বাবে মেঘালয়লৈ নিয়াৰ পৰিকল্পনা কৰা হৈছিল বুলি আৰকাৰী বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। ইপিনে, মহানগৰীখনত নিৰ্বাচনী আচৰণ বিধি প্ৰযোজ্য হৈ থকা সময়ছোৱাত আৰক্ষী বিশেষ নিৰীক্ষণকাৰী গোট নাইবা ফ্লাইং স্কোৱাদে নগদ ধন জব্দ কৰাৰ ক্ষেত্ৰত যদি নিৰপৰাধী লোকে  সমস্যাৰ সন্মুখীনি হৈছে তেনে অসুবিধা দূৰ কৰাৰ বাবে কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ লগতে আন দুজন বিষয়াক লৈ এখন কমিটি গঠন কৰা হৈছে। কমিটিখনে এই ধন সন্দৰ্ভত নিজাববীয়াকৈ তথ্য গ্ৰহণ কৰিব পাৰিব। পৰীক্ষাৰ অন্তত জব্দ কৰা ধন বৈধ বুলি প্ৰমাণ হলে সেই ধন ব্যক্তিগৰাকীক ঘুৰাই দিব লাগিব। ইপিনে, বঙাইগাওঁ আৰকাৰী বিভাগে কালি সন্ধিয়া ৩ খন ট্ৰাকত অবৈধভাৱে কঢ়িয়াই নিয়া মাদক দ্ৰব্য জব্দ কৰাৰ লগতে ট্ৰাককেইখনৰ চালক আৰু সহকাৰী কেইজনক কৰায়ত্ত কৰে। তেওঁলোকক আজি আদালতত হাজিৰ কৰোৱাৰ পাছত ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হয়। ইপিনে, কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ে জিলাখনৰ নিৰ্বাচনত ব্যৱহাৰ হ'বলগীয়া ই ভি এম আৰু ভি ভি পেটৰ আজি ৰেন্দমাইজেশ্বন কাৰ্যসূচী অনুষ্ঠিত কৰে। লোকসভা নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগে দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ বাবে নিয়োগ কৰা সাধাৰণ পৰ্যবেক্ষক ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া ড° এম আৰ ৰবী আৰু আৰক্ষী পৰ্যবেক্ষক ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া টি পানাচা ৰেড্ডী আজি জিলাখনত উপস্থিত হয়। তেওঁলোকে নিৰ্বাচনৰ প্ৰতিটো কোষৰ নডেল বিষয়া আৰু দায়িত্ববাহী বিষয়াসকলৰ সৈতে নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰে।

০০০০০

বিটিচিৰ কৃষি বিভাগৰ কাৰ্যবাহী সদস্য তথা গণ সুৰক্ষা পাৰ্টীৰ পাৰিষদ ঘণশ্যাম দাসৰ কাৰ্যবাহী সদস্যপদ আজি কৰ্তন কৰা হয়। ৰাজ্যপালে এক নিৰ্দেশ পত্ৰযোগে দাসৰ সদস্যপদ কৰ্তন কৰে।

০০০০০

নলবাৰী জিলাৰ মুকালমুৱা থানাৰ অন্তৰ্গত সাপকাটাত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোক নিহত হোৱাৰ লগতে ৫ জন লোক আহত হয়। হাজো-দৌলাশাল পথেৰে বৰপেটাৰ পৰা গুৱাহাটী অভিমুখী তীব্ৰবেগী বাছ এখনে দুজন চাইকেল আৰোহীক মহতীয়াই নিয়াৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। এই দুৰ্ঘটনাত চিদ্দিক আলী নামৰ লোকজন নিহত হোৱাৰ লগতে পদপথৰ ব্যৱসায়ী এগৰাকী আৰু বাছখনৰ ৩ গৰাকী যাত্ৰী আহত হয়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি জয়পুৰত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে - ৰাজস্থান ৰয়েলছক জয়ৰ বাবে ১৮৪ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। টছত জিকি ৰাজস্থানে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। বেংগালুৰুৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৩ টা উইকেট হেৰুৱাই

১৮৩ ৰাণ সংগ্ৰহ কৰিছে। কাইলৈৰ খেল ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ আৰু দেলহী কেপিটেলছৰ মাজত হ'ব। খেলখন বিয়লি চাৰে তিনি  বজাত আৰম্ভ হব।

০০০০০

ঃঃ সমাপ্ত ঃঃ